বি. বৰুৱা কলেজ (স্ব-শাসিত)

-ঃ ৰাভা দিৱস উদ্‌যাপন ঃ-

অহা ২০ জুন, ২০২৬ তাৰিখ শনিবাৰে বি. বৰুৱা কলেজ (স্ব-শাসিত)ৰ উদ্যোগত বিভিন্ন কার্য্যসূচীৰে **বিষ্ণুৰাভা দিৱস উদ্‌যাপনৰ** আয়োজন কৰা হৈছে। সেই উদ্দেশ্যে কলেজৰ ছাত্র-ছাত্রীসকলৰ মাজত এখনি কবিতা আবৃত্তি প্রতিযোগিতা অনুষ্ঠিত কৰা হ'ব।

কবিতাৰ শিৰোনাম	ঃ	হেৰ' বিপ্লৱী বিদ্রোহী বীৰ
কবি	ঃ	বিষ্ণু প্রসাদ ৰাভা
স্থান	ঃ	সুৰেন্দ্র মোহন দাস বক্তৃতা বিথীকা
সময়	ঃ	দিনৰ ১১ বজা
সাংস্কৃতিক অনুষ্ঠান	ঃ	দুপৰীয়া ১২.৩০ বজাৰপৰা

ড০ অঞ্জনা ভট্টাচার্য্য
আহ্বায়ক, উদ্‌যাপন সমিতি

বি.দ্রঃ- ইচ্ছুক প্রতিযোগীসকলে অহা ১৯ জুনৰ ভিতৰত ড০ তৃষ্ণাৰাণী বৰা, ফোন নং- ৯৮৬৪৬৯৬১২১ত নিজৰ নাম জমা দিব লাগিব।
সাংস্কৃতিক অনুষ্ঠানত বিজয়ীসকলক পুৰস্কৃত কৰা হ'ব।

হেৰ’ বিপ্লৰী বিদ্রোহী বীৰ

ৰচনা ঃ বিষ্ণু প্রসাদ ৰাভা

হেৰ’ বিপ্লৰী বিদ্রোহী বীৰ!
তোল তোল অৱনত শিৰ।
অতদিনে তই আছিলি সুসুপ্ত
পৰ পদানত,
নির্যাতিত নিপীড়িত,
দলিত, পতিত.....
আজি এই নতুন যুগত হ তই জাগ্রত।
হেৰ’ হেৰ’
অগনি-যুগৰ ফিৰিঙতি শিখা!
জল জল উঠ উঠ
আন কাঢ়ি ৰুদ্র কপালৰ ৰক্ত চন্দ্র কলা ৰেখা
তুলি ল তুলি ল তই কৰালী কালীৰ
ভীম ভয়ংকৰ খড়্গ
ভাং ভাং ভাং ভাং কাৰাৰ কপাট,
শত অভিশাপপূর্ণ এই দুখময় দুর্গ।
তই নিজে অনন্ত বিশাল!
দহ শত ফণা তুলি এৰি বিষ-জাল
তই অগ্নিগিৰি
অগনি উগাৰি
জ্বলা জ্বলা শত লক্ষ পাপ অনর্গল
হই দাবানল।
তই হিম-গিৰি-শৃংগ গগণ চুম্বক সুউচ্চতা
মৌন গম্ভীৰতা।
তই প্রশান্তৰ গভীৰতা,
হৃদয়ত উর্মিমালা সাগৰৰ মহা অসীমতা,
কল্লোলময়ী বিশালতা...।
তই শক্তিবান
ক্ষীণ ঋষি দধিচী মহান
তোৰ অস্থি মহা-অস্ত্র
শোষকৰ মৃত্যু শস্ত্র।
শোষণেৰে পুঞ্জীভূত ধনীৰ মৰণ ।
সিহঁতৰ শোষণেই মৃত্যুৰ কাৰণ।
বল্ বল্ বল্ বল্
সাজু হ’বৰে হ’ল — সাজু হ’বলে হ’ল
ভাং ভাং দুৱাৰৰ দাং
কৌটি দলিতৰ গান
আনে বিপ্লৰীৰ বান।
সৰে মিলি ভাঙে কাৰাদ্বাৰ
মুক্ত কাৰাবাসীগণ
ওলায় দলিত জন
ভাঙি-মেলি কাৰাৰ দুৱাৰ,
গাই মুকুতিৰ গান,
তুলি অগ্নিবাণ।।